অধ্যায় ৮ ঃ বৃত্তমঞ্জৰী - সমবৃত্ত (ক-অংশ)

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ সমবৃত্ত (ক-অংশ)

- ৮.৩.১ ইন্দ্ৰৱজ্ৰা ছন্দ
- ৮.৩.২ উপেন্দ্ৰৱজ্ৰা ছন্দ
- ৮.৩.৩ উপজাতি ছন্দ
- ৮.৩.৪ ভুজঙ্গপ্ৰয়াত ছন্দ
- ৮.৩.৫ তোটক ছন্দ
- ৮.৩.৬ ৱংশস্থ (ৱংশস্থৱিল) ছন্দ
- ৮.৩.৭ দ্ৰুতৱিলম্বিত (সুন্দৰী) ছন্দ
- ৮.৩.৮ ৰুচিৰা (ৰুচিপ্ৰদা) ছন্দ
- ৮.৩.৯ প্ৰহৰ্ষিণী ছন্দ
- ৮.৩.১০ কলহংস (নন্দিনী, কুটজা, সিংহনাদ) ছন্দ

৮.৪ আলোচিত ছন্দৰ টিপ্পনী

৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৬ অধিক জানিবলৈ

৮.৭ অগ্ৰগতিৰ খতিয়ান

৮.৮ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সমবৃত্তৰ বিষয়ে কিছু আভাস পাব
- সমবৃত্তৰ কিছুমান বছা বছা ছন্দৰ লক্ষণ আৰু উদাহৰণ বৃত্তমঞ্জৰী গ্ৰন্থ অনুসৰি জানিব পাৰিব
- বৃত্তমঞ্জৰী গ্ৰন্থত ছন্দৰ উদাহৰণ হিচাবে ব্যৱহাৰ কৰা পদ্যবোৰৰ লগত চিনাকি হ'ব।

৮.২ পৰিচয়

ইতিমধ্যে আপুনি 'বৃত্তমঞ্জৰী' গ্ৰন্থখনৰ বিষয়ে কিছু আভাস পাই আহিল। মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্যদেৱে ৰচনা কৰা এই ছন্দোগ্ৰন্থখনৰ বৈশিষ্ট্য হৈছে যে ইয়াৰ লক্ষণবোৰ ছন্দঃশাস্ত্ৰৰ

গণৰ সহায়েৰে সূত্ৰ ৰীতিত ৰচনা নকৰি গণৰ সহায় নোলোৱাকৈ লঘু আৰু গুৰু বৰ্ণৰ নিৰ্দেশেৰে ছন্দৰ লক্ষণ নিৰূপণ কৰিছে। আপুনি পূৰ্বৰ অধ্যায়ত এই কথাও গম পালে যে সমবৃত্ত, অৰ্ধসমবৃত্ত আৰু বিষমবৃত্ত নামেৰে বৃত্তৰ তিনিটা ভাগ। কোনো এটা পদ্যৰ প্ৰতিচৰণত সমান সমান বৰ্ণধৰ্মৰ সমান সংখ্যক বৰ্ণ থাকে তাকেই সমবৃত্ত বোলা হয়। এই অধ্যায়ত আপুনি কিছুমান বছা বছা ছন্দৰ লক্ষণ আৰু উদাহৰণ জানিব পাৰিব। বৃত্তমঞ্জৰী গ্ৰন্থত তৃতীয় স্তৱকত বহুসংখ্যক সমবৃত্ত আলোচিত হৈছে। তাৰে কিছুমান বহুলপ্ৰয়োগ হোৱা সমবৃত্তৰ বিষয়ে এই অধ্যায়ত অবগত হ'ব।

৮.৩ সমবৃত্ত (ক-অংশ)

৮.৩.১ ইন্দ্ৰৱজ্ৰা ছন্দ

ইন্দ্ৰৱজা ছন্দ সমবৃত্ত। এই ছন্দৰ প্ৰতিচৰণ ১১টাকৈ আখৰ থাকে। ইয়াৰ লক্ষণ বৃত্তমঞ্জৰী গ্ৰন্থৰ তৃতীয় স্তৱকত মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্যদেৱে এনেদৰে দিছে—

আদ্যদ্বয়ংতুৰ্য্যকপঞ্চমষ্ঠ
যত্ৰাষ্টমষ্ঠান্ত্যযুগঞ্চ দীৰ্ঘম্।
হেমাঙ্গদাশ্লিষ্টভুজে কৰীন্দ্ৰা
স্তামিন্দ্ৰৱজ্ৰাং প্ৰতিবোধয়ন্তি।।

যেতিয়া কোনো এটা পদ্যৰ প্ৰতিচৰণত থকা আখৰবোৰৰ প্ৰথম, দ্বিতীয় (আদ্যাদ্বয়ং), চতুৰ্থ (তুৰ্য্যক), পঞ্চম, অষ্টম, দশম আৰু একাদশ সংখ্যক বৰ্ণবোৰ দীৰ্ঘ হয় আৰু বাকী সকলোবোৰ বৰ্ণ হ্ৰস্ব হয়; তেতিয়া কৰীন্দ্ৰসকলে সেই ছন্দক ইন্দ্ৰৱজ্ৰা বোলে। উদাহৰণ

গোব্ৰাহ্মণস্ত্ৰীব্ৰতিভিৰ্ৱিৰুদ্ধং
মোহাৎকৰোত্যল্পমতিনৃপো যঃ।
তস্যেন্দ্ৰৱজ্ৰাভিহতস্থ পাতঃ
ক্ষোনীধৰস্যেৱ ভৱত্যৱশ্যম্।।
[হলায়ুধঃ]

ইন্দ্ৰৱজ্ৰা ছন্দ্ৰৰ লক্ষণত যতিৰ বিষয়ে বিশেষভাৱে কোনো নিয়ম উল্লেখ কৰা হোৱা নাই। গতিকে প্ৰতিচৰণৰ শেষত যতি হ'ব।

৮.৩.২ উপেন্দ্ৰৱজ্ৰা ছন্দ

ইন্দ্ৰৱজ্ৰাৰ লেখীয়াকৈ উপেন্দ্ৰৱজ্ৰা ছন্দতো ১১টা আখৰ প্ৰতিচৰণত বিৰাজ কৰে। এই ছন্দৰ লক্ষণ বৃত্তমঞ্জৰীত এনেদৰে পোৱা যায়—

য়দেন্দ্ৰৱজ্ৰাচৰণাদিসংস্থা

ভৱন্তি ৱর্ণা লঘৱঃ সুমধ্যে।
অনঙ্গকান্তাসমকান্তমূর্ত্তে
তদোচ্যতে সদ্ভিৰুপেন্দ্রৱজ্রা।।

যেতিয়া ইন্দ্রৱজ্রা ছন্দৰ আদিৱর্ণবোৰ হ্রস্ব অর্থাৎ লঘু হয় তেতিয়া বিদ্বানলোকে তাকেই উপেন্দ্রৱজ্রা ছন্দ বুলি কয়। উদাহৰণ—

ভৱন্নখাঃ কুন্দদলাশ্রিয়ো যে
নমন্তি লক্ষ্মীস্তনলেখনে২পি।
উপেন্দ্র ৱজ্রাধিকর্কশত্বং
কথঙ্গতাস্তে ৱিপুদাৱনায়াম্।।
[হলায়ুধঃ]

উপেন্দ্রৱজা ছন্দত পাদান্তে যতি হয়।

৮.৩.৩ উপজাতি ছন্দ

উপজাতি ছন্দৰ প্রতিচৰণত ১১টাকৈ আখৰ থাকে।
বৃত্তমঞ্জৰী গ্রন্থত ধীৱেশ্বৰাচার্য্যদেৱে ইয়াৰ লক্ষণ এনেদৰে প্রদান কৰিছে—

মুত্রেন্দ্রৱজ্রাচৰণেন সার্দ্ধ
যুপেন্দ্রৱজ্রাচৰণস্য যোগঃ।
ক্রিয়তে সা প্রাক্ কৱিভিঃ প্রদিষ্টাং
লভেত সুভ্রুৰুপজাতিসংজ্ঞাম্।।

যেতিয়া কোনো এটা পদ্যৰ প্রতিচৰণত ইন্দ্রৱজ্রা ছন্দৰ বর্ণধর্মৰ লগত উপেন্দ্রৱজ্রা ছন্দৰ বর্ণধর্মৰ সংমিশ্রিত আখৰৰ বিন্যাস হয় তাকেই পূর্বকবিসকলে উপজাতি ছন্দ বুলি কয়। উদাহৰণ—

অত্রোপজাতির্ৱিৱিধা বিদগ্ধৈঃ
সংঘোজ্যতে তু ব্যৱহাৰ কালে।
অতঃ প্রযত্নং প্রথমং বিধেয়ো
নৃপেণ পুৰস্তপৰীক্ষণায়।।
[হলায়ুধঃ]

উপজাতি ছন্দত পাদান্তে যতি হয়।

৮.৩.৪ ভুজঙ্গপ্রয়াত ছন্দ

ভূজঙ্গপ্রয়াত ছন্দত প্রতিচৰণত ১২টাকৈ আখৰ থাকে। 'ভূজঙ্গ' মানে সাপ। 'প্রয়াত' মানে গতি। এই ছন্দৰ কবিতাৰ লয় সাপৰ গতিৰ দৰে একা-বেঁকা। তাতেই

ভূজঙ্গ প্রয়াত নামৰ যথার্থতা খাপ খায়। বৃত্তমঞ্জৰী গ্রন্থত এই ছন্দৰ লক্ষণ এনেদৰে দিছে—

ভৱেদ্যত্র দীর্ঘং দ্বিতীয়ন্তৃতীয়ং
তথা পঞ্চমং ষষ্টকঞ্চাষ্টমঞ্চ।
তদন্ত্যন্তথৈকাদশং দ্বাদশঞ্চে—
দ্ভুজঙ্গপ্রয়াতং স্মৃতং কোৱিদৈস্তৎ।

যদি কোনো পদ্যৰ প্রতিচৰণৰ বর্ণসমূহৰ দ্বিতীয়, তৃতীয়, পঞ্চম, ষষ্ঠ, অষ্টম, নৱম, একাদশ আৰু দ্বাদশ আখৰ দীর্ঘ হয় তেনেহ'লে পণ্ডিতসকলে তাকেই ভূজঙ্গপ্রয়াত ছন্দ বোলে। উদাহৰণ—

পুৰঃ সাধুৱদ্ভাতি মিথ্যাবিনীতঃ
পৰোক্ষে কৰোত্যের্থনাশং হতাশঃ।
ভুজঙ্গপ্রয়াতোপমং যস্য চিত্তং
ত্যজেত্তাদৃশং দুশ্চৰিত্রং কুমিত্রম্।।
[হলায়ুধঃ]

ভুজঙ্গপ্রয়াত ছন্দত চৰণান্তে যতি হয়।

৮.৩.৫ তোটক ছন্দ

এইবিধ সমবৃত্তৰ প্রতিচৰণত ১২টাকৈ আখৰ থাকে। বৃত্তমঞ্জৰী গ্রন্থত মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যদেৱে তোটক ছন্দৰ লক্ষণ এনেদৰে দিছে—

কৰভোৰু তৃতীয়কমক্ষৰকং
গুৰু যত্র সষষ্ঠমথো নৱমম্।
চৰণান্তগতঞ্চ সতাং দয়িতং
ৱদ তন্ননু তোটকমাপ্তকৃতম্।।

যেতিয়া প্রতিচৰণৰ তৃতীয়, ষষ্ঠ, নৱম, দ্বাদশ অক্ষৰ গুৰু হয় তেতিয়া পণ্ডিতসকলৰ প্রিয় সেই তোটক ছন্দ হয়। উদাহৰণ—

কুৰুৱাপ চ সাৰসকাকুৰৱান্
কুৰুৱাখ্যনগোপি তদাঙ্কুৰৱান্।
কমলঙ্কৃতৱদ্গতপঙ্কমলং
কমলং ন ৱিলোভয়িতুং কমলম্।।
[নলোদয়ম্, ২/৪]

তোটক ছন্দত যতি চৰণান্তে হয়।

৮.৩.৬ ৰংশস্থ (ৰংশস্থৰিল) ছন্দ

ৰংশস্থ ছন্দক কোনো কোনো ছন্দঃশাস্ত্রত ৰংশস্থৰিল ছন্দ নামেৰে উল্লেখ কৰিছে। বৃত্তমঞ্জৰী গ্ৰন্থত এই ১২ অক্ষৰৰ ছন্দোবিধৰ নাম ৰংশস্থ ৰাখি লক্ষণ এনেদৰে প্ৰদান কৰিছে—

উপেন্দ্ৰৰজ্ৰাচৰণান্তিমাক্ষৰাৎ
পুৰোধিকশ্চৈকলঘুৰ্য্যদা প্ৰিয়ে।
প্ৰযুজ্যতে চম্পককূট্মলাঙ্গলে
তদাত্ৰ ৰংশস্থমুশন্তি সূৰয়ঃ।।

যদি উপেন্দ্ৰৰজ্ৰা ছন্দৰ প্ৰতিচৰণত নিৰূপিত হোৱা বৰ্ণৰ অন্তিম বৰ্ণটোৰ আগত এটি লঘুবৰ্ণ দিয়া হয় তেনেহ'লে তাকেই বীৰসকলে বংশস্থ ছন্দ বুলি কয়। উদাহৰণ—

ন তজ্জলং যন্ন সুচাৰুপঙ্কজং
ন পঙ্কজং তদ্যদলীনষট্পদম্।
ন ষট্পদোঽসৌ ন জুগুঞ্জ যঃ কলং
ন গুঞ্জিতং তন্ন জহাৰ যন্মনঃ।।

[ভট্টিকাব্যম্, ২/১৯]

ধীৰেশ্বৰাচাৰ্য্যদেৰে উল্লেখ কৰিছে যে বংশস্থ ছন্দৰ অন্য নাম কোনো কোনোৰে বংশস্তনিত বুলিও কয়। এই ছন্দত চৰণৰ শেষত যতি পৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'ভুজঙ্গ' মানে কি?

.....

.....

প্ৰশ্ন নং ২ ঃ উপজাতি ছন্দ কি কি ছন্দৰ সংমিশ্ৰণ?

.....

.....

প্ৰশ্ন নং ৩ ঃ ইন্দ্ৰৰজ্ৰা ছন্দৰ প্ৰতিচৰণত কিমানটাকৈ আখৰ থাকে?

.....

.....

প্ৰশ্ন নং ৪ ঃ বংশস্থ ছন্দৰ আন কি কি নাম আছে?

.....

.....



জানি থোৱা ভাল

ছন্দনির্ণয়ৰ ক্ষেত্ৰত প্ৰতিচৰণৰ আখৰ গণনা কৰোঁতে কেৱল স্বৰবৰ্ণৰহে গণনা কৰা হয়।

ছন্দৰ লক্ষণত যতিৰ বিষয়ে স্পষ্ট নীতি উল্লেখ নাথাকিলে সদায় চৰণৰ শেষত যতি পৰে; ইয়াকে 'পাদান্ত যতি' বা 'চৰণান্ত যতি' বোলে। উল্লেখনীয় যে সকলো সংস্কৃত পদ্যৰ চৰণৰ অন্তত যতি পৰাটো স্বাভাৱিক নিয়ম।

৮.৩.৭ দ্রুতৱিলম্বিত (সুন্দৰী) ছন্দ

এইবিধ সমবৃত্তৰ প্ৰতিচৰণত ১২ টাকৈ আখৰ থাকে। দ্রুতবিলম্বিত ছন্দৰ লক্ষণ বৃত্তমঞ্জৰীত এনেদৰে দিছে—

গুৰু চতুর্থকসপ্তমমক্ষৰং
সদশমং বিৰতিপ্রভৱঞ্চ চেৎ।
দ্রুতৱিলম্বিতমাহ বুধস্তদা
তদথৱা ননু সুন্দৰি সুন্দৰীম্।।

যদি প্ৰতিচৰণৰ চতুর্থ, সপ্তম, দশম আৰু দ্বাদশ অক্ষৰ গুৰু হয় তেতিয়াহ'লে জ্ঞানীজনে তাকে দ্রুতৱিলম্বিত ছন্দ বা সুন্দৰী ছন্দ বুলি কয়। উদাহৰণ—

বদনসৌভলোভপৰিভ্রমদ্—
ভ্রমৰসম্ভমম্ভৃতশোভয়া।
চলিতয়া ৱিদধে কলমেখলা—
কলকলোলকলোলদৃশান্যয়া।।

[শিশুপালবধ, ৬/১৪]

দ্রুতৱিলম্বিত ছন্দৰ আন নাম সুন্দৰী। এই ছন্দৰ প্ৰতিচৰণৰ শেষত যতি পৰে।

৮.৩.৮ ৰুচিৰা (ৰুচিপ্রদা) ছন্দ

ৰুচিৰা ছন্দৰ প্ৰতিচৰণত ১৩ টাকৈ আখৰ থাকে। এই ছন্দৰ লক্ষণ বৃত্তমঞ্জৰী গ্ৰন্থত এনেদৰে পোৱা যায়—

দ্বিতীয়কং গুৰু সচতুর্থকং যদা
ভৱেত্তথা নৱমমুপান্তগাদিমম্।
ত্রয়োদশং যতিৰথ চেদ্যুগগ্রহৈ-
ৰুচিপ্রদাহস্মৃত ৰুচিৰা২থৱা তদা।।

যেতিয়া দ্বিতীয়, চতুর্থ, নৱম, একাদশ আৰু ত্রয়োদশ আখৰ গুৰু হয় তেতিয়া

ৰুচিপ্রদা বা ৰুচিৰা ছন্দ হয়। এই ছন্দৰ ক্ষেত্রত চতুর্থ অক্ষৰৰ অন্তত আৰু নৱম অক্ষৰৰ অন্তত যতি পৰে। উদাহৰণ—

অভূন্নৃপো বিবুধসখঃ পৰন্তপঃ
শ্রুতান্বিতো দশৰথ ইত্যুদাহৃতঃ।
গুণৈর্ৱৰং ভূৱনহিতচ্ছলেন যং
সনাতনঃ পিতৰমুপাগমং স্বয়ম্।।
[ভট্টিকাব্যম্, ১/১]

এই ছন্দৰ লক্ষণ প্রদান কৰোঁতে গ্রন্থকাৰে অতি কৌশলেৰে 'যুগ' আৰু 'গ্রহ'— এই পদযুগলেৰে যতি নির্দেশ কৰিছে। যুগ মানে ৪ যুগ (সত্য, ত্রেতা, দ্বাপৰ আৰু কলি)। গ্রহ মানে নৱগ্রহ। গতিকে চতুর্থাক্ষৰ আৰু নৱমাক্ষৰৰ অন্তত যতি হয়।

৮.৩.৯ প্রহর্ষিণী ছন্দ

এইবিধ সমবৃত্তৰ প্রতিচৰণত ১৩ টাকৈ আখৰ থাকে। ধীৰেশ্বৰাচার্য্যদেৱৰ বৃত্তমঞ্জৰী গ্রন্থত ইয়াৰ লক্ষণ এনেদৰে দিয়া আছে—

আদৌ চেৎত্রিগুৰৱ এৱ কান্তৱক্তেত্রৰ
সচ্ছীলে২ষ্টমদশমৌ তথৈৱ জাতৌ।
দ্বাৱন্ত্যাৱপি ৱিৰতির্গুণৈশ দিগ্ভিঃ
স্যাদ্যত্রোৎপলমিতি তৎপ্রহর্ষিণী ৱা।।

যদি প্রথম, দ্বিতীয়, তৃতীয়, অষ্টম, দশম, দ্বাদশ আৰু ত্রয়োদশ বর্ণ গুৰু হয় তেতিয়া প্রহর্ষিণী ছন্দ হয়। এই ছন্দৰ যতি তৃতীয় অক্ষৰ আৰু দশম অক্ষৰৰ অন্তত আহি পৰে। উদাহৰণ—

ত্ৱং ব্রহ্মা পশুপতিৰর্যমা ৱিধাতা
ধাতা ত্ৱং ত্রিদশপতিস্ত্বমীৱণো২গ্নিঃ।
তোযেশো ধনপতিৰন্তকস্ত্ৱমেকো
ভিন্নার্থৈর্জগদপি পাসি শক্তিভেদৈঃ।।

প্রহর্ষিণী ছন্দৰ লক্ষণত 'গুণ' শব্দৰদ্বাৰা ত্রিগুণ (সত্ত্ব, ৰজঃ, তমঃ) বুজোৱা বাবে ৩ টা সংখ্যা আৰু 'দিক্' শব্দৰ দ্বাৰা পূব, পশ্চিম আদি দশোদিশ বুজোৱা বাবে ১০ সংখ্যা গ্রহণ কৰি তাতে যতি পৰিব।

৮.৩.১০ কলহংস (নন্দিনী, কুটজা, সিংহনাদ) ছন্দ

কলহংস ছন্দক নন্দিনী বা কুটজা বা সিংহনাদ ছন্দ বুলিও অভিহিত কৰা হয়। এই ছন্দৰ প্রতিপাদত ১৩টাকৈ অক্ষৰ থাকে। বৃত্তমঞ্জৰী গ্রন্থত ইয়াৰ লক্ষণ এনেদৰে

পোৱা যায়—

প্রমিতাক্ষৰানুচৰণান্তিমৱর্ণাৎ
পৰমেকমের গুৰু যর্হি ৱিধত্তে।
কলহংসগামিনি তদা কলহংসো
ননু নন্দিনীতি কুটজ্যেত্যথৱা স্যাৎ।।

প্রমিতাক্ষৰা ছন্দৰ শেষৰ আখৰৰ পিছত যদি এটা গুৰুৱর্ণ সংযোগ কৰা হয়, তেনেহ'লে কলহংস ছন্দৰ সৃষ্টি হয়। উদাহৰণ—

যমুনাবিহাৰকুতুকে কলহংসো
ব্রজকামিনী কমলিনী কৃতকেলিঃ।
জনচিত্তহাৰিকলকণ্ঠনিনাদঃ
প্রমদং তনোতু তৱ নন্দননূজঃ।।
[গংগাদাসঃ]

এই ছন্দত পাদান্তে যতি পৰে।

৮.৪ আলোচিত ছন্দৰ টিপ্পনী

আপুনি ইতিমধ্যে অৱগত হৈছে যে বৃত্তমঞ্জৰী গ্রন্থত ছন্দৰ লক্ষণ প্রদান কৰোতে চতুষ্পদী পদ্যৰ ৰচনাৰীতিক অৱলম্বন কৰিছে। প্রায়বোৰ লক্ষণতে এগৰাকী কাল্পনিক নাৰীক সম্বোধন কৰি নানা বিশেষণ প্রদান কৰিছে। ইতিমধ্যে এই অধ্যায়ত আলোচিত হোৱা ছন্দৰ সংজ্ঞাসমূহৰ কিছুমান বিশেষ শব্দৰ অর্থ আৰু ব্যাকৰণিক টোকা তলত বিশ্লেষণ কৰা হ'ল—

(ক) ইন্দ্রৱজ্রা ছন্দ (৮.৩.১ দ্রষ্টব্য) ইন্দ্র আৰু তেওঁৰ বজ্র— এই দুটা বিষয়ৰ কল্পনাৰে এইবিধ ছন্দৰ নামকৰণ হৈছে। ইন্দ্র আছিল দেৱতাসকলৰ ৰজা। তেওঁৰ প্রধান অস্ত্র আছিল বজ্র। হেমাঙ্গদাশ্লিষ্টভুজে = 'হেম' মানে সোণ। 'অঙ্গদা' মানে কেয়ূৰ। হেম + অঙ্গদা = হেমাঙ্গদা। 'আশ্লিষ্ট' মানে আলিঙ্গন কৰা। 'ভুজ' মানে হাত। অর্থাৎ যিয়ে হাতত সোণৰ কেৰু পিন্ধি আছে তেওঁ হেমাঙ্গদাশ্লিষ্টভুজা (হেমাঙ্গদাভ্যাম্ আশ্লিষ্টৌ ভুজৌ যস্যাঃ সা (বহুব্রীহি সমাস)। সম্বোধনে এক বচনম্ = হেমাঙ্গদাশ্লিষ্টভুজে) অর্থাৎ হে সোণৰ কেৰু পৰিহিত হস্তা!

(খ) উপেন্দ্র (৮.৩.২ দ্রষ্টব্য) = উপেন্দ্র শব্দই ভগৱান বিষ্ণুক বজায়। পৌৰাণিক কাহিনী অনুসৰি তেওঁ আছিল বামন অৱতাৰত দেৱৰাজ ইন্দ্রৰ ভায়েক। অনুমান কৰিব পাৰি যে ইন্দ্রৰ ভায়েক উপেন্দ্রইও অসুৰ নিধনৰ বাবে অস্ত্র হিচাপ বজ্র ব্যৱহাৰ কৰিছিল। এই ছন্দৰ লক্ষণ দিওতে ধীৰেশ্বৰাচার্য্যদেৱে দুটা বিশেষণেৰে কাল্পনিক নাৰীগৰাকী সম্বোধন কৰিছিল। সুমধ্যে = শোভনং মধ্যং যস্যাঃ সা (বহুব্রীহি সমাস), সম্বোধনে এক বচনম্। হে তনুমধ্যা। অনঙ্গকান্তাসমকান্ত মূর্ত্তে = ন অঙ্গম্ = অনঙ্গম্ অর্থাৎ কামদেৱ। কামদেৱৰ কান্তা হৈছে কামপত্নী ৰতীদেৱী। ৰতীৰ কান্তিৰ লগত তুলনীয় যাৰ মূর্ত্তি অর্থাৎ শৰীৰ তেওঁক বুজাইছে।

(গ) উপজাতি ছন্দ (৮.৩.৩ দ্রষ্টব্য) = এইবিধ হৈছে দুবিধ ছন্দৰ মিশ্রিত ৰূপ। ইন্দ্রৱজ্রা আৰু

উপেন্দ্রবজ্রা ছন্দৰ মিলনত উপজাতি ছন্দ হয়। মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যদেৱে উল্লেখ কৰিছে যে বংশস্থৱিল ছন্দ আৰু ইন্দ্রবংশা ছন্দৰ সংমিশ্রণটো উপজাতি ছন্দৰ সৃষ্টি হয়। পুনৰাই শালিনী ছন্দ আৰু বাতোর্মী ছন্দৰ মিলনটো উপজাতি হয় বুলি হলায়ুধে ৰচনা কৰা মৃতসঞ্জীৱনী টীকাত পোৱা যায়। বৃত্তমঞ্জৰী গ্রন্থত ১৪প্রকাৰৰ উপজাতি কথা কোৱা হৈছে।

(ঘ) ভুজঙ্গপ্রয়াত ছন্দ (৮.৩.৪ দ্রষ্টব্য) = লক্ষণত থকা 'কোৱিদ' শব্দটোৱে পণ্ডিতক বুজায়। কং ৱেত্তি = কোৱিদ্। 'ক' শব্দটোৰ বহুত অর্থ - শব্দ, ব্রহ্মা, আত্মা, অগ্নি, বিষ্ণু ইত্যাদি।

(ঙ) কলহংস ছন্দ (৮.৩.১০ দ্রষ্টব্য) = প্রতিমাক্ষৰা ছন্দৰ আলম লৈ ধীৰেশ্বৰাচার্য্যদেৱে কলহংস ছন্দৰ সংজ্ঞা দিছে। প্রতিমাক্ষৰা ছন্দৰ প্রতিচৰণত ১২ টাকৈ বর্ণ থাকে। এই প্রমিতাক্ষৰা ছন্দৰ লক্ষণ বৃত্তমঞ্জৰী গ্রন্থত এনেদৰে দিয়া আছে—

প্রমদে তৃতীয়মথ পঞ্চমকং
নৱমন্তথা বিৰতিজং গুৰু চেৎ।
দশনাত্বিযা জিতনৱেন্দুকলে
প্রমিতাক্ষৰেতি নিগদন্তি তদা।।



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বৃত্তমঞ্জৰী গ্রন্থত মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যদেৱে আলোচনা কৰা ধৰণে কিছুমান নির্ৱাচিত ছন্দৰ লক্ষণ আৰু উদাহৰণ জানিব পাৰিলে।
- ছন্দৰ উদাহৰণবোৰৰ কিছুসংখ্যক অন্যান্য কবিৰদ্বাৰা ৰচিত হোৱা বাবে সেই কবিসকলৰ কাব্যকৃতিৰ উমান পালে।
- কিছুমান বছা বছা পদৰ বৈয়াকৰণিক টোকাও আপুনি জানিলে।



৮.৬ অধিক জানিবলৈ

১) *বৃত্তমঞ্জৰী,* মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্য কৰিৰত্নপ্রণীত, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, অসম, ১৯৬১



৮.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সাপ।

২ নং প্রশ্নৰ উত্তৰ ঃ ইন্দ্রৱজ্রা আৰু উপেন্দ্রৱজ্রা ছন্দৰ সংমিশ্রণ।

৩ নং প্রশ্নৰ উত্তৰ ঃ ১১ টাকৈ।

৪ নং প্রশ্নৰ উত্তৰ ঃ বংশস্থৱিশ, বংশস্তনিত।



৮.৭ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ 'ভুজঙ্গপ্রয়াত' নামকৰণৰ তাৎপর্য্য লিখক।

(খ) ৰচনাধর্মী প্রশ্ন (২০০ টা শব্দৰ ভিতৰত)

প্রশ্ন ২ ঃ তলত দিয়া ছন্দবোৰ বৃত্তমঞ্জৰী অনুসৰি লক্ষণ আৰু উদাহৰণেৰে বিশ্লেষণ কৰক—
ইন্দ্রৱজ্রা, তোটক, বংশস্থ, ৰুচিৰা, প্রহর্ষিনী।

*** ***** ***